



Scanned by CamScanner

# বিশ্লেষণাত্মক দৰ্শন

বিশ্লেষণাত্মক দৰ্শন হৈছে দৰ্শনৰ জগতৰ এক নতুন ধাৰা। বিশ্লেষণাত্মক দৰ্শনৰ পৰিসৰ অত্যন্ত ব্যাপক। জি. ই. মুৰ, ৰাছেল আদিৰ পৰা আৰম্ভ কৰি ৱিটগেনষ্টাইন, তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিকসকল আৰু সাম্প্ৰতিক কালৰ সাধাৰণ ভাষা দাৰ্শনিকসকল আদি সকলো বিশ্লেষণাত্মক দাৰ্শনিক হিচাপে পৰিচিত। কেম্ব্ৰিজৰ দাৰ্শনিক আন্দোলনৰ পৰাই বিশ্লেষণাত্মক দৰ্শনৰ সূচনা হয় বুলি ক'ব পাৰি। এই আন্দোলনৰ গুৰি ধৰোঁতা জি. ই. মুৰ, ৰাছেল আৰু পৰৱৰ্তীকালত ৱিটগেনষ্টাইনৰ যৌথ প্ৰচেষ্টাত কেমব্ৰিজ আন্দোলনে দৰ্শনৰ জগতত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে আৰু ইয়াৰ ফলস্বৰূপে 'বিশ্লেষণাত্মক দৰ্শন' নামৰ এটি নতুন দাৰ্শনিক আন্দোলনৰ সূত্ৰপাত ঘটে। দৰাচলতে বিশ্লেষণাত্মক দৰ্শনৰ মূল উৎসই আছিল জি. ই. মুৰ। এই দৰ্শনৰ সূচনা হয় ভাববাদী দৰ্শনৰ প্ৰতিক্ৰিয়া স্বৰূপে। দাৰ্শনিক মুৰে ভাববাদৰ বিৰোধী দৰ্শন হিচাপেই বিশ্লেষণাত্মক দৰ্শনৰ সূচনা কৰিছিল। বিশ্লেষণাত্মক দৰ্শনৰ কেন্দ্ৰীয় বিষয় হ'ল ভাষা আৰু ভাষাৰ বিভিন্ন গাঁথনিৰ বিশ্লেষণাত্মক অধ্যয়ন। মুৰে গতানুগতিক দাৰ্শনিক পদ্ধতিৰ পৰিবৰ্তন কৰি দৰ্শনত নতুন বিষয়বস্তু আৰু পদ্ধতি সন্নিবিষ্ট কৰিব বিচাৰিছিল। মুৰৰ মতে, গতানুগতিক পদ্ধতিৰ পৰিবৰ্তে ভাষাৰ যৌক্তিক বিশ্লেষণ আৰু শব্দৰ অৰ্থৰ স্পষ্টীকৰণেই দৰ্শনৰ প্ৰধান কাম হোৱা উচিত।

চিন্ময়ী বৰগোহাঁঞি
স্নাতক মহলাৰ পঞ্চম ষাণ্মাসিক

Scanned by CamScanner

# মানৱ অস্তিত্বৰ তিনিটা স্তৰ

কীৰ্কেগাৰ্ড আছিল অস্তিত্ববাদী দৰ্শনৰ পিতৃস্বৰূপ অৰ্থাৎ জনক। এইজন দাৰ্শনিকৰ জন্ম হয় ১৮১৩ চনৰ ৫ মে'ত ডেনমাৰ্কত। তেওঁৰ দৰ্শনে প্ৰধানকৈ মানৱ সত্বাৰ অস্তিত্বৰ ওপৰত ব্যাখ্যা কৰে। তেওঁৰ মতে, মানৱ অস্তিত্বক কেতিয়াও বৌদ্ধিকতাৰ জৰিয়তে প্ৰকাশ কৰিব নোৱাৰি। কাৰণ ব্যক্তিসত্বা হৈছে পৰিৱৰ্তনৰ ধাৰা মাথোন। মানৱ সত্বাৰ বিকাশৰ এনে পৰিৱৰ্তন সম্ভৱ হয় প্ৰধানকৈ তিনিটা স্তৰৰ মাজেৰে। কীৰ্কেগাৰ্ডে তেওঁৰ বিখ্যাত গ্ৰন্থ "Either/or" আৰু "The Sickness Unto Death"ত মানৱ জীৱনৰ তিনিটা স্তৰ সম্পৰ্কে এক বিতং আলোচনা কৰিছে। এই তিনিটা স্তৰ হ'ল — (১) সৌন্দৰ্য্যাত্মক স্তৰ, (২) নৈতিক স্তৰ আৰু (৩) ধৰ্মীয় স্তৰ।

মানৱ অস্তিত্বৰ প্ৰথম স্তৰটোক সৌন্দৰ্য্যাত্মিক স্তৰ বুলি কোৱা হয়। এই স্তৰটো প্ৰধানকৈ ইন্দ্ৰিয়ানুভূতি, সংবেদন, ইচ্ছা বা প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হয়। সৌন্দৰ্য্যাত্মক স্তৰটোৰ প্ৰধান বৈশিষ্ট্য হৈছে আনন্দ বা দৈহিক সুখ। সেইকাৰণে এই স্তৰটোক মনোবিজ্ঞানিক সুখবাদৰ লগত তুলনা কৰিব পাৰি।

মানৱ জীৱনৰ অস্তিত্বৰ দ্বিতীয় স্তৰটোক নৈতিক স্তৰ বুলি কোৱা হয়। এই স্তৰত ব্যক্তিয়ে উপলব্ধি কৰে যে সৌন্দৰ্য্যাত্মক পৰ্য্যায় এক অনুকীয়া উপহাস মাত্ৰ। এই স্তৰত মানৱে নিজৰ আত্মকেন্দ্ৰিকতা পৰিহাৰ কৰি সমাজ, বন্ধু আৰু সমাজৰ ব্যক্তিৰ কাৰণে চিন্তা কৰে। নৈতিক স্তৰত মানৱ অস্তিত্বই নিজৰ উন্নতি সাধনতকৈ আনৰ উন্নতি হোৱাত গুৰুত্ব আৰোপ কৰে।

কীৰ্কেগাৰ্ডে ধৰ্মীয় স্তৰটোক উন্নত আৰু শেষ স্তৰ বুলি অভিহিত কৰিছে। এই স্তৰত ব্যক্তিয়ে সম্পূৰ্ণৰূপে ঈশ্বৰৰ আদেশ অনুসৰি জীৱন-নিৰ্বাহ কৰে। সেয়ে ব্যক্তিয়ে অৱতাৰবাদী ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিব বিচাৰে আৰু এনে উপলব্ধি কেৱলমাত্ৰ বিশ্বাসৰ জখলাৰে সম্ভৱ হয়।

নমিতা ৰয়
স্নাতক মহলাৰ পঞ্চম ষাণ্মাসিক

Scanned by CamScanner

# G. E. MOORE

George Edward Moore was an English Philosopher who was born on 4th November, 1873 in upper Norwood, London, united Kingdom. He along with Bertrand Russell, Ludwig wittgenstein and Gottlob Frege was the founder of analytic philosophy. The analytic philosophy comes into its existence a reaction against Idealism. The cambridge movement of Moore, Russell and wittgenstein has given rise to a new philosophical movement which is known as analytic philosophy. The main moto of their philosophy is the logical analysis of language. The analytic philosophy of Moore is devlloped on the basis of the refutation of Idealism. So, the analytic philosophy has been originated as a result of supporting common sense and also for the correct use of words in philosophy. Moore observed that lot of people have propounded some concepts which are against common sense. So, in order to disprove the contention of these Idealistic philosophers and for upholding common sense, analytic philosophy has come into its existence.

— Ankana chauhan
B.A. 5th Sem.

Scanned by CamScanner



....প্ৰকৃতাৰ্থত জ্ঞান হ'ল আমি জানোঁ যে
আমি একেবাৰে নাজানোঁ....
~ চক্ৰেটিছ

Scanned by CamScanner

# ৰাছেলৰ তৰ্কীয় পৰমাণুবাদ

বাৰ্ট্ৰাণ্ড ৰাছেল আছিল এজন বৃটিছ দাৰ্শনিক, তৰ্কবিদ, গণিতজ্ঞ, ঐতিহাসিক, সমাজ সংস্কাৰক আৰু এজন সুদক্ষ ৰাজনীতিবিদ। বাৰ্ট্ৰাণ্ড ৰাছেলৰ বিশ্লেষণাত্মক দৰ্শনৰ অতি গুৰুত্বপূৰ্ণ মতবাদ হ'ল তৰ্কীয় পৰমাণুবাদ। বিশ্বজগতৰ তাত্ত্বিক ব্যাখ্যা প্ৰদানৰ উদ্দেশ্যে তেওঁ তৰ্কীয় পৰমাণুবাদৰ প্ৰতিপাদন কৰিছে। তৰ্কীয় পৰমাণুবাদৰ মূল উদ্দেশ্য এই জগতৰ অন্তৰালত থকা মূল তত্ত্বৰ অনুসন্ধান কৰি তাৰ সহায়ত জগতৰ ব্যাখ্যা প্ৰদান কৰা। ৰাছেলে তেওঁৰ তৰ্কীয় পৰমাণুবাদত এই মূল তত্ত্বটো ভাষাৰ বিশ্লেষণৰ মাজেৰে উদ্ভাৱন কৰিছে। ৰাছেলৰ তৰ্কীয় পৰমাণুবাদ বুলিলে একেষাৰত এনে মতবাদক বুজোৱা হয় যি মতবাদ অনুসৰি এই বিশ্বজগতৰ পৰমতত্ত্ব হৈছে পৰমাণু। কিন্তু ৰাছেলৰ এই পৰমাণু ভাষাৰ তৰ্কীয় বিশ্লেষণৰ অন্তিম পৰিণাম, ই বস্তুৰে নিৰ্মিত ভৌত পৰমাণু নহয়, তাৰ্কিক বিশ্লেষণৰ দ্বাৰা লব্ধ কৰা হয়।

মঞ্জু থাপা

স্নাতক মহলাৰ পঞ্চম ষাণ্মাসিক

Scanned by CamScanner



We must act out passion before we can feel it.

— Jean paul Sartre

# JEAN PAUL SARTRE

The philosophical work of Jean Paul Sartre may be represented by his books 'Being and Nothingness' (1943), 'Existentialism and Humanism' (1946) and 'Critique of Dialectical Reason' (1960). The philosophical rules of Sartre's thought are found again in Hegel, Husserl and Heidegger. His first philosophical work 'The Transcendence of the ego (1936)' was a critique of Husserl's idea of the self. One of his famous works is 'The Imagination'. His novel 'Nausea' was published in 1938.

The essence of existentialism is clearly broughtout by the statement 'Existence precedes Essence'. This statement is used by Sartre to bringout the nature of existentialism. It is a conversion of a famous statement found in Plato's Republic "Essence precedes Existence'. For more than 2000 yrs this platonic statement remained unchallenged in Philosophy. By this statement Plato wanted to convey the point that Form or essence alone is real. Plato holds that existence is meaningless. In plato's philosophy we find that existing things are real so far as they participate in the eternal form. Things are simply copies of essence. Hence, in that sense essence is prior to existence.

— Sehnaz Ahmed
B.A. 5th Sem.

Scanned by CamScanner



The limits of my language means the limits of my world.


~ Ludwig wittgenstein.

# WITTGENSTEIN'S PICTURE THEORY


Wittgenstein was an British philosopher in $20^{th}$ century. He was born in $26^{th}$ April 1889 at vienna capital. In his important work "Tractatus Logico Philosophicus" wittgenstein introduced about the picture theory of meaning that come to his mind when he saw in a magazine a motor car accident being represented in a law court by means of small models. They also could be used to construct different types of propositions for the exposition of the accident. This pictorial representation stimulated his mind to formulate the picture theory of meaning. wittgenstein discussed about the relation between world and language. According to wittgenstein language is the picture of reality, language is composed by propositions so he simplifies that a proposition is a picture of reality.

— Simran Begum
B.A. $5^{th}$ Semester

Scanned by CamScanner




Scanned by CamScanner




Scanned by CamScanner